হনুমন্তৰ লঙ্কাদৰ্শন

মাধৱ কন্দলী

লঙ্কাপুৰী দেখিলন্ত ত্ৰিকূট উপৰে।
দুতী অম্ৰাৱতী যেন সমুদ্ৰ ভিতৰে।।
সুবেল গিৰিৰ শৃঙ্গ আতি বিতোপন।
তহিতে পৰিলা গৈয়া পৱন নন্দন।।
সুবেলত বসিয়া গুনন্ত মহাবীৰ।
প্ৰয়াস নভৈল মোৰ সুস্থসে শৰীৰ।।
সাগৰ তৰিয়া আইলো ইটো কোন গহ।
কোটি যোজনক যাইবো তাকো আছে সাহ।।
শতেক যোজন আইলো ইটো কোন কাজ
ইসব কাহিনী কহিবাকো লাগে লাজ।।
তৰিলন্ত সাগৰ নভৈল কিছু শঙ্কা।
সুবেলত বসিয়া বীৰে দেখিলন্ত লঙ্কা।।
মাথা তুলি দেখন্ত আদিত্য অস্ত যান্ত।
কৰ যোৰে হনুমন্তে দিলন্ত সিদ্ধান্ত।।
জানু শিৰ কৰি জুৰিলন্ত যোৰহাত।
ত্ৰৈলোক্যৰ দীপ বুলি নমিলন্ত মাথ।।
খানিতেক তম্ভিয়োক ৰাম কাৰ্য্য সাওঁ।
দিবাভাগে লঙ্কাৰ গড়ক ফুৰি চাওঁ।।

হেন শুনি তুষ্ট ভৈলা কাশ্যপ নন্দন।
দেখি হনুমন্তৰ হৰিষ ভৈল মন।।
সুবেলৰ হন্তে বীৰ দৃষ্টি বলাই চান্ত।
দিবা ভাগে লঙ্কাৰ গড়ক দেখিলন্ত।।
সুবেলৰ নামি নগৰীক লাগি যান্ত।
অনেক বনক হনুমন্তে দেখিলন্ত।।
গুঞ্জৰিত শবদে ভ্ৰমৰা মধুপান।
পদ্মিনী দিঘী জলাশয় ৰম্য থান।।
সৰল পিয়াল খৰ নিখৰ খৰ্জ্জুৰ।
শাল তাল তমাল গমাৰি বীজপুৰ।।
অশ্বত্থ কপিত্থ বট নাৰঙ্গ বদৰ।
তেন্তেলি কন্টকি আম জাম নাগেশ্বৰ।।
খাজুৰি হাৰিঠা আমলখি ডহাফল।
ছাতিয়াল গুৱা নাৰিকেল যে শ্ৰীফল।।
সলঙ্গা মহৰি আৰু কমলা টেঙ্গৰা।
কৰ্দ্দে পিচুমৰ্দ্দক যে সোলঙ্গা আমৰা।।
কদম্ব গুলাল পাৰিজাতক আশেষ।
সেৱতী মালতী গুটিমালী যে বিশেষ।।
বাৰয় বসন্তে অনুকূলে বহে বাৱ।
ষড়ঋতু নছাড়য় কোকিলৰ ৰাৱ।।
অনেক আছয় পশু চটক আশেষ।
সুবৰ্ণ মাণিক মণি ৰতন বিশেষ।।
সাগৰে উথাৰি থৈল মুকুতাৰ দাম।
চিত্ৰ বিচিত্ৰ তাক দেখি অনুপাম।।
লঙ্কাৰ সমীপ বনে দিন গোট নিল।
গধূলিকা বেলা বীৰে পৰামৰিশিল।।
ইসব শৰীৰে যেবে পেযওঁ নগৰ।
ৰাক্ষসে বান্ধিয়া ফুৰাইবে ঘৰে ঘৰ।।
বিৰাল সমান সঙ্কুচিত কলেৱৰে।
হনুমন্তে চড়িলন্ত প্ৰাঞ্চিৰ উপৰে।।

গোধূলিকা বেলা শ্ৰী দেখিলা লঙ্কাৰ।
দূতী অম্ৰাৱতী যেন জগততে সাৰ।।
অনেক প্ৰবন্ধে বিশ্বকৰ্ম্মেসে নিৰ্ম্মিল।
লঙ্কা বেঢ়ি সুৱৰ্ণৰ গড় প্ৰাঞ্চি দিল।।
অনেক যোজন পথ গগনে উধাৱ।
সুবৰ্ণ মাণিক মণি জ্বলে ঠাৱে ঠাৱ।।
ঠাইখান দেখিলন্ত বহল বিস্তাৰ।
গড়গোটে বেঢ়ি আছে সকলে লঙ্কাৰ।।
নানা যন্ত্ৰ সাজি তাত আছে শাৰী শাৰী।
দেৱাসুৰ সবে তাক লঙ্ঘিতে নপাৰি।।
বিষম সঙ্কট আতি দুৰ্গমৰ থান।
দেখি চিন্তাবিষ্ট ভৈলা বীৰ হনুমান।।
অঙ্গদ সুগ্ৰীৱ নীল আমি সমে চাৰি।
এতেকেসে সাগৰক তৰিবাক পাৰি।।
শতেক যোজন পথ সাগৰক তৰি।
ইঠাৱক বানৰ আসিবে কেনে কৰি।।
বানৰ বৰ্গৰি ইঠাৱত কোন কাম।
কিবা কৰিবন্ত আসি দাশৰথী ৰাম।।
ৰাম লক্ষ্মণ যাতো অচিন্ত্য প্ৰভাৱ।
সি কাৰণে মনত কিঞ্চিত দিওঁ ঠাৱ।। ৪০৯৫

কবি-পৰিচয় :

অসমীয়া সাহিত্যৰ শংকৰ-পূৰ্ব যুগৰ কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ কবিগৰাকী আছিল কবিৰাজ মাধৱ কন্দলী (চতুৰ্দশ শতিকা)। মাধৱ কন্দলীৰ পৃষ্ঠপোষক ৰজাজনৰ নাম আছিল বাৰাহ (বৰাহী) ৰজা মহামাণিক্য। পুৰণি অসমৰ পূব-মধ্যাঞ্চলৰ কোনো অঞ্চলত এই ৰজাজনে ৰাজত্ব কৰিছিল বুলি ধাৰণা কৰা হয়। এইজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিয়ে মাধৱ কন্দলীয়ে বাল্মীকি-ৰচিত সংস্কৃত ৰামায়ণ মহাকাব্যখন অসমীয়ালৈ অনুবাদ কৰিছিল। মাধৱ কন্দলীয়ে সম্পূৰ্ণ ৰামায়ণখন অনুবাদ কৰিছিল; কিন্তু বৰ্তমান মাধৱ কন্দলীৰ ৰামায়ণৰ আদিকাণ্ড আৰু উত্তৰাকাণ্ডৰ বাহিৰে মাজৰ পাঁচোটা কাণ্ডহে পোৱা যায়। পৰৱৰ্তী সময়ত আদিকাণ্ড মহাপুৰুষ মাধৱদেৱে আৰু উত্তৰাকাণ্ড মহাপুৰুষ শংকৰদেৱে ৰচনা কৰি মাধৱ কন্দলীৰ ৰামায়ণখন সম্পূৰ্ণ কৰিছিল।

উত্তৰ ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ ভিতৰত প্ৰথমতে অসমীয়া ভাষাতেই মাধৱ কন্দলীয়ে সংস্কৃত ৰামায়ণখন অনুবাদ কৰে। শংকৰদেৱে মাধৱ কন্দলীৰ কাব্য-প্ৰতিভাক সন্মান জনাই অপ্ৰমাদী কবি বুলি অভিহিত কৰিছিল।

পাঠবোধ :

মাধৱ কন্দলীৰ ভাষা আৰু সাহিত্যৰ ধাৰণা লাভ কৰিবৰ বাবে তেওঁৰ সুন্দৰাকাণ্ড ৰামায়ণৰ পৰা 'হনুমন্তৰ লঙ্কাদৰ্শন' শিৰোনামাৰে এই কাব্যাংশ নিৰ্বাচিত কৰা হৈছে। উল্লিখিত কাব্যাংশত সীতাৰ অন্বেষণত যোৱা হনুমানে বিশাল সাগৰ পাৰ হৈ সুবেল বা ত্ৰিকূটগিৰি শৃংগত অৱতৰণ কৰা আৰু ত্ৰিকূট পৰ্বতৰ ওপৰত দেখা ৰজা ৰাৱণৰ লংকা নগৰীৰ কিছু বিৱৰণ সন্নিবিষ্ট হৈছে। ৰামায়ণৰ সুন্দৰাকাণ্ডৰ ঘাইকৈ দ্বিতীয় সৰ্গৰ আধাৰত অনুবাদ কৰা এই অংশত মাধৱ কন্দলীয়ে মূলৰ বিষয়বস্তু চমু ৰূপত উপস্থাপন কৰিছে। অৱশ্যে তাৰ মাজতেই কবিৰ নিজস্ব কথা দুই-এটাও সংযোজিত হৈছে।

শব্দাৰ্থ আৰু টোকা :

অচিন্ত্য প্ৰভাৱ	:	চিন্তা কৰিব নোৱৰা প্ৰভাৱযুক্ত।
অম্ৰাৱতী	:	বিশ্বকৰ্মা নিৰ্মিত দেৱপুৰী, ইন্দ্ৰৰ ৰাজধানী।
অশ্বথ	:	পবিত্ৰ বৰগছ, আঁহত গছ।
কণ্টকি	:	কাঁইটীয়া গছ।
কপিত্থ	:	ঔ টেঙা।
কমলা টেঙ্গৰা	:	কমলা টেঙা।
কলেৱৰ	:	শৰীৰ।
গড়	:	দুৰ্গ; ইটা, মাটি বা কাঠৰ শকত আৰু ওখ প্ৰাচীৰ।
গগনে	:	আকাশলৈ।
গহ	:	গৰ্ব, মই বৰ ভাৱ।
গুনন্ত	:	ভাবিলে।
গুৱা	:	তামোল।
চটক	:	ঘনচিৰিকা।
ছাতিয়াল	:	ছতিয়না গছ।
তমাল	:	ডাঠ ক'লা বাকলিৰে এবিধ গছ।
তন্তিয়োক	:	ৰওক।
তহিতে	:	তাত।
দাশৰথী ৰাম	:	দশৰথৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰ।
দিবা ভাগে	:	দিনৰ ভাগতে।
দুতী	:	দ্বিতীয়।
দৃষ্টি বলাই চান্ত	:	দৃষ্টি প্ৰসাৰিত কৰি চালে।

দেখন্ত/দেখিলন্ত	:	দেখিলে।
নাৰঙ্গ	:	কমলা টেঙাৰ গছ।
পদ্মিনী দিঘী	:	পদুম ফুলৰ পুখুৰী।
পৱন নন্দন	:	বায়ু দেৱতাৰ পুত্ৰ হনুমান।
পিয়াল	:	আঙুৰ গছ।
পেষওঁ	:	প্ৰবেশ কৰোঁ।
প্ৰবন্ধে	:	প্ৰচেষ্টাৰে।
প্ৰাঞ্চিৰ	:	প্ৰাচীৰৰ, দেৱালৰ।
বদৰ	:	বগৰী গছ, এবিধ লতা।
বিৰাল	:	মেকুৰী।
বীজপুৰ	:	নেমুৰ দৰে এবিধ টেঙাৰ গছ।
যোজন	:	আঠ মাইল দৈৰ্ঘ্যৰ।
সলঙ্গা	:	সোলং, সোলেং (এবিধ বৰ উগ্ৰ টেঙা ফল)।
হাৰিঠা	:	মনিছাল বা ৰিঠা গছ।
অঙ্গদ	:	কিষ্কিন্ধ্যাৰ বানৰ-ৰাজ বালীৰ পুত্ৰ। অতিশয় বলশালী অংগদে সীতা-উদ্ধাৰ অভিযানত শ্ৰীৰামচন্দ্ৰক সহায় কৰে।
কাশ্যপ নন্দন	:	সূৰ্যদেৱতা (ৰামায়ণ আৰু দুই-এখন পুৰাণ শাস্ত্ৰমতে সূৰ্যদেৱতা কাশ্যপ আৰু অদিতিৰ পুত্ৰ)।
ত্ৰিকূট	:	ৰামায়ণ কাব্য অনুসৰি লৱণ সমুদ্ৰৰ মাজত থকা পৰ্বত। ইয়াৰ ওপৰতে লংকা নগৰ প্ৰতিষ্ঠাপিত হৈছে।
নীল	:	সীতা-অন্বেষণ আৰু সাগৰত সেঁতু বান্ধোতে ৰামচন্দ্ৰক সহায় কৰা এজন সেনাপতি।
বিশ্বকৰ্মা	:	দেৱতাসকলৰ বিমান আৰু অলংকাৰ নিৰ্মাণ কৰা দেৱতা হিচাপে জনা যায়; শিল্পীগণৰ ভিতৰত শ্ৰেষ্ঠ বুলিও কোৱা হয়।
সুগ্ৰীৱ	:	ৰামায়ণ অনুসৰি বানৰৰাজ বালীৰ ভায়েক।

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমুকৈ উত্তৰ দিয়া ঃ

(ক) মাধৱ কন্দলী কোন আছিল?

(খ) মাধৱ কন্দলীয়ে কোনখন মহাকাব্য অনুবাদ কৰিছিল?

(গ) মাধৱ কন্দলীৰ ৰামায়ণত কেইটা কাণ্ড পোৱা যায়?

(ঘ) মাধৱ কন্দলীক শংকৰদেৱে কি কবি বুলি অভিহিত কৰিছিল?

(ঙ) মাধৱ কন্দলীৰ ৰামায়ণত বৰ্তমানে সন্নিবিষ্ট কোনটো কাণ্ড শংকৰদেৱে ৰচনা কৰে?

(চ) 'হনুমন্তৰ লঙ্কাদৰ্শন'—কাব্যাংশ কোনটো কাণ্ডৰ পৰা লোৱা হৈছে?

২। মাধৱ কন্দলীৰ বাহিৰে শংকৰ-পূৰ্ব যুগৰ কবিকেইজনাৰ নাম উল্লেখ কৰা।

৩। মাধৱ কন্দলীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল? তেওঁ ক'ৰ ৰজা আছিল?

৪। তলত দিয়াবোৰৰ টোকা লিখা ঃ
হনুমন্ত, সুগ্ৰীৱ, নীল, অম্ৰাৱতী, কাশ্যপ নন্দন, বিশ্বকৰ্মা।

৫। লংকা নগৰীৰ কাষৰ বন-বননিত হনুমন্তই কি কি ফল-ফুলৰ গছ দেখিবলৈ পাইছিল?

৬। হনুমন্তই কি ৰূপ ধৰি লংকা নগৰীত প্ৰবেশ কৰিছিল? তেওঁ সেই ৰূপ ধৰাৰ কাৰণ কি আছিল?

৭। হনুমন্তই গধূলি সময়ত দেখা লংকা নগৰীৰ এটি বৰ্ণনা দিয়া।

৮। সুৰক্ষিত লংকা নগৰী দেখি হনুমন্তৰ মনলৈ কেনে ধৰণৰ চিন্তা আহিছিল?

৯। সুবেল শৃংগত বহি হনুমন্তই কি ভাবিছিল?

১০। 'হনুমন্তৰ লঙ্কাদৰ্শন' কাব্যাংশৰ মূল কথাখিনি তোমাৰ নিজৰ কথাৰে লিখা।

ভাষা-বিষয়ক :

১১। তলৰ শব্দবোৰৰ আধুনিক ৰূপ লিখা :
কণ্টকি; ছাতিয়াল; তহিতে; দেখিলন্ত।

১২। সমাৰ্থক শব্দ লিখা :
গগন; বিৰাল; গড়; সমুদ্ৰ; পৱন।